# Assamese
# Modern Indian Language

Full Marks : 100

Pass Marks : 30 Time : Three hours

*The figures in the margin indicate full marks for the question.*

*(ছাত্ৰ-ছাত্ৰীসকলে 'ক' বিভাগ আৰু 'খ' বিভাগ অথবা 'গ' বিভাগৰ উত্তৰ কৰিব।)*

১। "মানুহে জ্ঞানৰ কৰ্ম কৰিলেহে মানুহ নামৰ গৰাকী হ'ব পাৰে।" — জ্ঞানৰ কৰ্ম কি? মানুহ নামৰ গৰাকী হ'ব খুজিলে জ্ঞানৰ-কৰ্মৰ কিয় আৱশ্যক বুজাই লিখা। ৫

নাইবা

'এই অন্তৰ্বিপ্লৱৰ শেষ ফল কি, কোনে জানে' — কি প্ৰসংগত, কোনে উক্ত কথাষাৰ কৈছিল? কথাষাৰৰ পৰা বক্তাৰ কি ভাৱ প্ৰকাশ পাইছে বুজাই লিখা।

২। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা। ৪

(ক) "এই সাহিত্যই মানুহৰ ৰুচি উন্নত কৰিলে, এইসকল সাহিত্যিক অসমৰ জনশিক্ষাৰ শক্তিমন্ত অগ্ৰদূত"— উক্তিটো বহলাই আলোচনা কৰা।

(খ) উনৈশ শতিকাৰ পৰা কুৰি শতিকাৰ আগভাগলৈকে অসমলৈ আৰম্ভ হোৱা নতুন প্ৰৱজনৰ ফলত কি পৰিবৰ্তন হৈছিল চমুকৈ লিখা।

৩। এটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ৩

(ক) 'এই দুটা সাধাৰণ মিলৰ বাহিৰে মঞ্চাভিনয় আৰু প্ৰকৃত চিত্ৰাভিনয়ৰ মাজত আন কোনো সাদৃশ্য নাই বুলিয়ে ক'ব পাৰি'— এই সাধাৰণ মিল দুটা কি ? পাঠৰ আলমত বিচাৰ কৰা।

(খ) অসমৰ অৰ্থনীতিত কাঁহ শিল্পৰ গুৰুত্ব কেনেধৰণৰ আলোচনা কৰা।

৪। তলৰ প্ৰতিটো প্ৰশ্নৰে চমু উত্তৰ লিখা ঃ ২×৫=১০

(ক) ৰজতৰ কাৰণে কেনে ধৰণৰ ছোৱালী উপযুক্ত হ'ব বুলি জেঠায়েকে ভাবিছিল ?

(খ) চৰ্যাগীত সম্পৰ্কে এটি চমু আভাস দিয়া।

(গ) মঞ্চ অভিনেতাৰ গুৰুত্ব কেনে ?

(ঘ) 'সংসাৰ সোঁত' কেইটা ? প্ৰত্যেকৰে নাম লিখা।

(ঙ) আহোম ৰজাসকলে ভাত খাবলৈ কাঁহৰ কি কি পাত্ৰ ব্যৱহাৰ কৰিছিল ?

৫। অতি চমু উত্তৰ লিখা ঃ ১×৩=৩

(ক) সকলোকে বান্ধি থোৱা এনাজৰীডাল কি ?

(খ) বৰকাঁহ কেতিয়া বজায় ?

(গ) "অসমৰ জনগোষ্ঠীৰ গাঁথনি আৰু সংস্কৃতি" — প্ৰবন্ধৰ লিখক কোন ?

৬। মূলভাৱ লিখা ঃ ৪

'বৰগীত' নাইবা 'বহাগীৰ বিয়া'

৭। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা (এছোৱাৰ) ৫

(ক) ভাৰতৰ বুৰঞ্জীৰ পাতে পাতে সনা আছে বোল তাৰ। কেতিয়াবা বিজয় উল্লাস, কেতিয়াবা মূক পৰাভৱ।





নাইবা

(খ) আঁৰতিৰ ডবা-কাঁহ শঙ্খ-ঘণ্টা যিমানেই বাজিব, মোৰ এই বেদনা ধ্বনি তাতকৈ দুগুণে চৰিব।

৮। চমু উত্তৰ লিখা ঃ ৩×২=৬

(ক) কবিৰ মতে মানুহে মনে মনে কি কৰি ভাল পায় আৰু কাৰ কথা ভাবি নাচায়।

নাইবা

বৰগীতৰ যিকোনো তিনিটা লক্ষণৰ বিষয়ে লিখা।

(খ) শৰাইঘাটৰ যুদ্ধ কাৰ কাৰ মাজত হৈছিল ? এই যুদ্ধৰ ফলাফল কি ?

নাইবা

"অবিচাৰ জগতৰ নকৰিবা তুমি অবিচাৰ" — 'অবিচাৰ জগতৰ' বোলা কথাষাৰে কি বুজাইছে? কোনে, কাক অবিচাৰ নকৰিবলৈ অনুৰোধ কৰিছে লিখা।

৯। কন্দৰ্প কুমাৰ নাইবা ওজাপালিৰ চমু পৰিচয় দিয়া। ২

১০। অতি চমুকৈ উত্তৰ দিয়া ঃ ১×৩=৩

(ক) দেৱকান্ত বৰুৱাক কি কবি বুলি জনা যায় ?

(খ) 'দেৱদাসী' কবিতাটো কোনে লিখা ?

(গ) বহাগীৰ বিয়াত মঙ্গল উৰুলি কোনে দিছিল ?

১১। (ক) ব্যাস বাক্যসহ সমাসৰ নাম লিখা। (দুটা) ২

(i) সিংহাসন (ii) চন্দ্ৰমুখ (iii) বৃকোদৰ

(খ) প্ৰত্যয় কাক বোলে ? উদাহৰণ দি বুজাই লিখা। ২

নাইবা

বাক্যত যতি চিহ্নৰ ব্যৱহাৰৰ প্ৰয়োজন কি?

(গ) বিপৰীতাৰ্থক শব্দ লিখা ঃ ২

অকৃতজ্ঞ, দেশদ্ৰোহী

নাইবা

এটা শব্দত প্ৰকাশ কৰা ঃ

(i) পানী আৰু মাটিত চৰে যি।

(ii) যি আনৰ অধীন নহয়।

(ঘ) যিকোনো এটাৰ সন্ধি ভাঙা নাইবা যোৰা লগোৱা ১

(i) ইত্যাদি

(ii) দুলৰ্ভ

(iii) নমঃ+কাৰ

(iv) উৎ+জ্বল

(ঙ) তলৰ বাক্যটি যৌগিক বাক্যলৈ পৰিবৰ্তন কৰা ঃ ১

অনুভৱে গাঁৱলৈ গৈ ৰুগীয়া মাকৰ যত্ন ল'লে।

(চ) মূৰ্দ্ধণ্য 'ণ' নাইবা মূৰ্দ্ধণ্য 'ষ' হোৱাৰ কাৰণ লিখা ঃ (এটাৰ) ১

(i) কণ্ঠ (ii) পৰিষ্কাৰ

(ছ) তলত দিয়া যিকোনো এটা খণ্ডবাক্যেৰে বাক্য সাজা ঃ ১

পথাৰত হাল জুৰা, সাৰত গঁজা, উখল-মাখল।

১২। (ক) আইতা ঢুকোৱাত তুমি চাৰিদিন স্কুললৈ আহিব নোৱাৰিলা। সেই কেইদিনৰ বাবে ছুটী বিচাৰি প্ৰধান শিক্ষকলৈ এখন আবেদন পত্ৰ লিখা।৪



নাইবা

(খ) ভাৱ সম্প্ৰসাৰণ কৰা ঃ

এপাচি শাকত এটা জালুক।

নাইবা

(গ) তোমাৰ বিদ্যালয়ত উদ্‌যাপন কৰা 'ৰূপালী জয়ন্তী'ৰ মূল সভাখনৰ বিষয়ে এখন প্ৰতিবেদন যুগুত কৰা।

১৩। যিকোনো এটাৰ বিষয়ে এখন ৰচনা লিখা ঃ ৮

(ক) আধুনিক সমাজৰ ব্যাধি ঃ অনুশাসনহীনতা। (আৰম্ভণি-অভিভাৱকৰ দায়িত্ব-সমাজত ইয়াৰ প্ৰতিফলন-সামৰণি)

(খ) তোমাৰ প্ৰিয় সাহিত্যিকজন। (আৰম্ভণি-পৰিচয়-প্ৰিয় হোৱাৰ কাৰণ-সামৰণি)

(গ) শিক্ষানুষ্ঠানৰ খেল-ধেমালি। (আৰম্ভণি-প্ৰয়োজনীয়তা-শৈক্ষিক উত্তৰণত খেল-ধেমালিৰ ভূমিকা-সামৰণি)

১৪। যিকোনো দুটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ২×২=৪

(ক) "তুমি গাঁৱৰ কথাবোৰ মোক কোৱাই নাই নহয়"— প্ৰেৰণাই গাঁৱৰ কি কথাবোৰ শুনিবলৈ তেনেদৰে কৈছিল?

(খ) বলায়ে গাঁৱলৈ গৈ প্ৰথমতে কেনেকুৱা অনুভৱ কৰিছিল? পাছলৈ সেই অনুভৱ কিদৰে পৰিবৰ্তন হ'ল?

(গ) স্কুলৰ বাৰ্ষিক সভাত প্ৰেৰণাই কিহৰ বাবে বিশেষ পুৰস্কাৰ লাভ কৰিছিল?

১৫। চমু পৰিচয় লিখা (দুটাৰ) ঃ ২×২=৪

(ক) ৰত্নকান্ত (খ) আইতা (গ) ভদ্ৰ (ঘ) পাপু

## Group - B (খ বিভাগ)

মূলাঙ্ক ঃ ২৫

১৬। (ক) স্বৰ্গদেৱে পোতা চিয়ঁৰীবোৰ কোনে, কি কাৰণে উভালি দিছিল খৰচি মাৰি বুজাই লিখা।
৩

নাইবা

(খ) তীৰ্থ ভ্ৰমণৰ সময়ত গুৰুজনে শিমলু গছৰ ছাঁ নগছি হাবিৰে কিয় গৈছিল?

১৭। অতি চমু উত্তৰ দিয়া ঃ (যিকোনো তিনিটাৰ) ১×৩=৩

(ক) ব্যাধে ফান্দ পাতি কি ধৰিছিল?

(খ) তিনিজনা মন্ত্ৰী ডাঙৰীয়া থকা সত্বেও ৰজাই পিয়ল কৰি মানুহ ভাগে ভাগে পাতিবলৈ কাক দায়িত্ব দিছিল?

(গ) শিঙৰিত বেহা কৰা সদাগৰজনৰ নাম কি আছিল?

(ঘ) 'চিয়ৰী'ৰ অৰ্থ কি?

(ঙ) গণককুছি সত্ৰখন কোনে প্ৰতিষ্ঠা কৰিছিল?

১৮। মোমাই তামুলী বৰবৰুৱাক ৰজাই কিয় এবছৰ বন্দীশালত থৈছিল চমুকৈ লিখা। ২

১৯। 'কানাইৰ চাতুৰী' কবিতাটিত — কাঠবাজি বুলি কাক কোৱা হৈছে? এই অপবাদৰ পৰা তেওঁক কোনে ৰক্ষা কৰিলে? ৩

নাইবা

'চিত্ৰকূট-বৰ্ণন'ত উল্লেখ কৰা ফুল-ফলৰ বৰ্ণনা এটি লিখা।

২০। মাকৰ কি গুণৰ কথা ক'বলৈ শিশু কৃষ্ণৰ লাজ লাগে বুলি কৈছিলে? 8



কথাখিনি তোমাৰ নিজৰ কথাৰে বুজাই লিখা। ৩

২১। অতি চমু প্ৰশ্নৰ উত্তৰ লিখা (দুটাৰ) ঃ ১×২=২

(ক) 'কানাইৰ চাতুৰী' কবিতাটি কোনে ৰচনা কৰা?

(খ) 'শুকসাৰি' মানে কি?

(গ) কোনবিধ গছক 'মন্দাৰ' বোলে?

(ঘ) কি ৰূপ ধাৰণ কৰি কৃষ্ণই বলিক ছলনা কৰিছিল?

২২। অশুদ্ধ বাক্য শুধৰাই লিখা (এটা) ঃ ১

(ক) ৰাইজসকল আপোনালোকে ধৈৰ্য ধৰক।

(খ) মাকে ল'ৰাটোক গালি দিছে।

২৩। অনুসৰ্গ বা উপসৰ্গ কাক বোলে? উদাহৰণ দি বুজাই লিখা ঃ
২

২৪। সমাৰ্থক শব্দ লিখা (এটা) ঃ ১

(ক) বৃক্ষ (খ) ধৰা

২৫। পৌৰাণিক শব্দৰ আধুনিক ৰূপ লিখা (এটাৰ) ঃ ১

(ক) বিগুটিয়া (খ) মুকুত (গ) কোকিলা (ঘ) আসি

২৬। চমুটোকা লিখা (দুটাৰ) ঃ ২×২=৪

(ক) পদ (খ) ছবি (গ) লেছাৰী